بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ ঘটনাৱলীৰ সৈতে সম্পৰ্কিত আঁহজৰত (ছাঃ)ৰ জীৱন দৰ্পন আৰু তেখেত (ছাঃ)ৰ সৈতে চাহাবা সকলৰ আনুগত্য আৰু প্ৰেম বিনয়ৰ অপ্ৰমাদী বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৬ ফেব্ৰুৱাৰীত ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধৰ বিৱৰণীত আঁহজৰত (ছাঃ)ৰ জীৱন দৰ্পন আৰু চাহাবা সকলৰ আঁহজৰত (ছাঃ)ৰ সৈতে অকৃত্ৰিম প্ৰেম ভালপোৱা থকাৰ অপ্ৰমাদী বৰ্ণনা ধাৰাবাহিক ভাৱে চলি আছে। এই বৰ্ণনাৰ মাজত হজৰত খাৰজা বিন জায়েদ (ৰাঃ)ৰ শ্বাহাদতৰ ঘটনা সম্পৰ্কে উল্লেখ আছে। তেখেত (ৰাঃ)য়ে শৰীৰৰ তেৰটা স্থানত আঘাতপ্ৰাপ্ত হৈছিল আৰু শেষত ছফৱান বিন উমিয়া নামক ব্যক্তিজনে এখেত (ৰাঃ)ক শ্বহীদ কৰিছিল আৰু এখেত (ৰাঃ)ৰ পৱিত্ৰ দেহ মোবাৰকৰ পৰা নাক,কাণ ছেদ কৰিছিল।

বৰ্ণনাত উল্লেখ আছে যে উহুদৰ দিনা হজৰত আববাছ বিন উবেয়দা (ৰাঃ)য়ে উচ্চস্বৰে মাত লগাইছিল যে হে মুছলমান সকলৰ দল ! আল্লাহ আৰু তাৰ ৰছুলৰ সৈতে সংলগ্ন হৈ থাকা। আহি যি বিপদে তোমালোকক ঘেৰি ধৰিছে এয়া তোমালোকে নিজৰ নবীৰ অবাধ্য হোৱা কাৰণে ধৰিছে, সি তোমালোকক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু তোমালোকে ধৈৰ্য ধাৰণ কৰা নাই। ইয়াৰ পিছত হজৰত আববাছ বিন উবেয়দা (ৰাঃ)য়ে নিজৰ টুপি আৰু কৱচ খুলি পেলায় আৰু হজৰত খাৰজা বিন জায়েদ (ৰাঃ)ক কয় যে আপোনাৰ এই সামগ্ৰী বিলাকৰ প্ৰয়োজন আছে নেকি ? খাৰজা (ৰাঃ)য়ে উত্তৰ দিছিল, নাই, সেইবোৰৰ মোৰ প্ৰয়োজন নাই। যি বস্তুৰ আশা তুমি কৰিছা মইও তাকেই বিচাৰো (অৰ্থাৎ শ্বাহাদত) তাৰ পিছতেই তেওঁলোক শত্ৰুৰ আবেষ্টনীত পৰি যায়। হজৰত আববাছ বিন উবেয়দা (ৰাঃ)য়ে কৈছিল যে আমাৰ চকুৰ আগত যদি ৰছুলুল্লাহ (ছাঃ)য়ে কোনো কষ্ট পায় তেন্তে আমি নিজৰ সৃষ্টি কৰ্তাৰ আগত কি উত্তৰ দিম ? আনহাতে হজৰত খাৰজা (ৰাঃ)য়ে কৈছিল যে আমাৰ সৃষ্টিকৰ্তাৰ ওচৰত না আমাৰ কোনো আপত্তি থাকিব আৰু না কোনো প্ৰমাণ থাকিব। হজৰত আববাছ বিন উবেয়দা (ৰাঃ)ক

ছুফিয়ান বিন আবদে শ্বামছ ছালমায় শ্বহীদ কৰিছিল আৰু খাৰজা বিন জায়েদ (ৰাঃ)ৰ শৰীৰত দহটাতকৈ বেছি তীৰৰ আঘাত লাগিছিল।

ইয়াৰ পিছত হজৰত শ্বমাছ বিন উচমান (ৰাঃ)ৰ শ্বাহাদত সম্পৰ্কে ৰিৱায়ত আছে। এখেত (ৰাঃ)য়ে বদৰৰ যুদ্ধ আৰু উহুদৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু উহুদৰ দিনা প্ৰাণটাকি যুঁজ দি ৩৪ বছৰ বয়সত শ্বাহাদত বৰণ কৰে। আঁহজৰত (ছা)য়ে কৈছিল যে মই শ্বমাছ বিন উচমানক এটা ঢাল হিচাপে দেখা পাইছো। হজৰত শ্বমাছ বিন উচমান (ৰাঃ)ৰ বিষয়ে ইতিহাসত এনেকুৱা ঘটনা লিপিবদ্ধ কৰিছে যে সেয়া তেখেত (ৰাঃ)ৰ আঁহজৰত (ছাঃ)ৰ সৈতে এক প্ৰেমৰ নিদৰ্শন স্বৰূপ জকমকাই আছে। লগতে ইছলামৰ নিমিত্তে কোৰবাণীৰ উচ্চ মান প্ৰতিষ্ঠাৰ দৃষ্টান্ত স্থাপন হৈছে।

উহুদৰ যুদ্ধত যেনেকৈ হজৰত তালহা (ৰাঃ)ৰ প্ৰেম ভালপোৱাৰ কাহিনী সম্পৰ্কে বৰ্ণনা দিয়া আছে যে এখেত (ৰাঃ)য়ে নিজৰ হাত আঁহজৰত (ছাঃ)ৰ মুখমণ্ডলৰ আগত ঢাল হিচাপে ৰাখিছিল যাতে কোনো তীৰ আহি তেখেত (ছাঃ)ৰ মুখমণ্ডলত নালাগে, ঠিক এনেকৈয়ে হজৰত শ্বমাছ (ৰাঃ)য়েও এটা ডাঙৰ ভূমিকা পালন কৰিছিল। হজৰত শ্বমাছ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ সন্মুখত থিয় দি শত্ৰুৰ আক্ৰমণ নিজৰ ওপৰত লৈ লৈছিল।

ইয়াৰ পিছত হজৰত নুমান বিন মালিক (ৰাঃ)ৰ শ্বাহাদতৰ বৰ্ণনা দিয়া আছে। এখেত (ৰাঃ) য়েও বদৰ আৰু উহুদৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু উহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰে। এটা ৰিৱায়েত অনুযায়ী এখেত (ৰাঃ)য়ে চফুৱান বিন উমিয়াৰ হাতত আকৌ আন এটা ৰিৱায়ত অনুযায়ী এখেত (ৰাঃ)য়ে আবান বিন ছঈদৰ হাতত শ্বাহাদত বৰণ কৰিছিল।

এটা বংশৰ চাৰিজন লোকৰ শ্বাহাদত সম্পৰ্কে বৰ্ণনা দিয়া আছে। এই শ্বহীদ সকলৰ মাজত আছিল ছাবিত বিন উকাছ (ৰাঃ) আৰু তেখেত (ৰাঃ)ৰ ভাই ৰুফাআ বিন উকাছ (ৰাঃ)। এনেদৰে ছাবিত (ৰাঃ)ৰ দুই পুত্ৰ ছালমা বিন ছাবিত (ৰাঃ) আৰু উমৰু বিন ছাবিত (ৰাঃ)। আনছাৰ কবিলা বনু আবদাল আছহালৰ সৈতে এওঁলোকৰ সম্পৰ্ক আছিল। ৰুফাআ বিন উকাছ (ৰাঃ) বয়সস্ত লোক আছিল যাক খালিদ বিন অলিদে শ্বহীদ কৰিছিল।

হজৰত উমৰু বিন ছাবিত (ৰাঃ)ৰ সম্পৰ্কে ৰিৱায়ত আছে যে এখেতে উহুদৰ দিনা ফজৰৰ নামাজৰ পিছত ঈমান স্থাপন কৰিছিল আৰু সেই দিনাই মুছলমান সকলৰ লগত যোগ দি যুদ্ধ কৰি শ্বাহাদত বৰণ কৰে। আঁহজৰত (ছাঃ)য়ে কৈছিল যে উমৰু বিন ছাবিত জান্নাতি হৈ গৈছে।

এনেদৰে চাহাবা সকলৰ কোৰবাণীৰ তালিকাত হজৰত আব্দুল্লাহ বিন জাহাশ (ৰাঃ)ৰ নামও অন্তৰ্ভুক্ত কৰা আছে। ইতিহাসত উল্লেখ আছে যে খোদা আৰু ৰছুলৰ প্ৰেমে এখেত (ৰাঃ)ক জগতৰ প্ৰতি উদাসীন কৰি পেলাইছিল। তেখেতৰ যদি কোনো আশা আছিল তেন্তে সেয়া আছিল প্ৰাণটো কেনেবাকৈ আল্লাহৰ বাটত যেন উচ্ছৰ্গিত হয়। গতিকে তেখেত (ৰাঃ)ৰ এই ইচ্ছা পূৰ্ণ হয় আৰু উহুদৰ যুদ্ধত শ্বহীদ হৈ যায়। শ্বাহাদতৰ এদিন আগত তেখেত (ৰাঃ)য়ে এয়া দোৱা কৰিছিল যে হে খোদা ! কালি মোৰ সন্মুখত যেন এনেকুৱা এজন লোক আহে,যিজনৰ আক্ৰমণ তীব্ৰ হয় আৰু তাৰ সাহসে যেন জয়লাভ কৰে। তাৰ লগত মই তোমাৰ জয়লাভ কৰি যেন মোক নিহত কৰে আৰু মোৰ নাক কাণ কাটি পেলায় আৰু মই তেনেকুৱা অৱস্থাত যেন তোমাৰ ওচৰত গৈ উপস্থিত হওঁ আৰু তুমি মোক প্ৰশ্ন কৰিবা যে হে আব্দুল্লাহ ! কাৰ বাটত তোমাৰ নাক কাণ কটা গৈছে ? তেতিয়া মই উত্তৰ দিম হে আল্লাহ তোমাৰ বাটত আৰু তোমাৰ ৰছুলৰ বাটত। হজৰত হামজা (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন জাহাশ (ৰাঃ)ক এটা কবৰতে দফন কৰা হৈছিল। হজৰত হামজা (ৰাঃ) হজৰত আব্দুল্লাহ বিন জাহাশৰ মোমায়েক আছিল, আৰু শ্বাহাদতৰ সময়ত এখেত (ৰাঃ)ৰ বয়স হৈছিল ৪০ বছৰতকৈ অলপ বেছি।

ইয়াৰ পিছত হজৰত আবু ছঈদ খায়ছামা বিন আবু খয়াছামা (ৰাঃ)ৰ শ্বাহাদত সম্পৰ্কে উল্লেখ আছে।

খায়ছামা (ৰাঃ)য়ে উহুদৰ দিনা ৰছুলে কৰিম (ছাঃ)ক সুধিছিল ইয়া ৰছুলুল্লাহ (ছাঃ) ! মই বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিব নোৱাৰিছিলো আৰু আল্লাহৰ কছম ! মই তাৰ বাবে বৰ দুখিত আছিলো। মই বদৰ প্ৰান্তত যাবলৈ বাছনি পৰীক্ষণ কৰিছিলো তাত মোৰ পুত্ৰ ছঈদ বিন খায়ছামাৰ নাম নিৰ্ধাৰণ হৈছিল আৰু তেওঁ শ্বাহাদত বৰণ কৰিছে। মই সপোনত মোৰ পুত্ৰক জান্নাতৰ বাগিছাত আৰু জুৰিৰ পাৰত সুন্দৰ অৱস্থাত ঘূৰি ফুৰোতে দেখিছো। তেওঁ মোক কৈ আছিল যে আপুনি মোৰ সৃষ্টি কৰ্তাৰ প্ৰতিশ্ৰুতি সত্য পাইছো। গতিকে মই মোৰ পুত্ৰৰ সাক্ষাৎ কৰিবলৈ অপেক্ষা কৰি আছো। আপুনি দোৱা কৰক যে আল্লাহ তা'লা মোক শ্বাহাদত আৰু জান্নাতত মোৰ পুত্ৰৰ সংগ যেন প্ৰদান কৰে। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে দোৱা কৰিছিল আৰু তেনেদৰেই হজৰত খায়ছামা (ৰাঃ)য়ে উহুদৰ যুদ্ধত শ্বাহাদত বৰণ কৰে।

ইয়াৰ পিছত হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ শ্বাহাদত সম্পৰ্কে উল্লেখ আছে। এখেত (ৰাঃ)য়ে নিজৰ শ্বাহাদতৰ আগত নিজ পুত্ৰ হজৰত জাবেৰ (ৰাঃ)ক কৈছিল যে মই চাই আছো যে মই শ্বহীদ সকলৰ মাজত প্ৰথমে শ্বহীদৰ স্থান লাভ কৰিম। মই লোকৰ ওচৰত কিছু ঋণ আছো, তুমি সেই ঋণ বিলাক পৰিশোধ কৰিবা আৰু নিজৰ ভগ্নী সকলৰ লগত উত্তম আচৰণ কৰিবা। হজৰত জাবেৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ইয়াৰ পিছ দিনাখনেই মোৰ দেউতাকে সৰ্বপ্ৰথম শ্বহীদ হৈছিল। কাফিৰ সকলে তেখেতৰ নাক কাণ কাটি পেলাইছিল। হজৰত জাবেৰ (ৰাঃ)য়ে কৈছে যে যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলক দফন কৰিবলৈ আহে তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে শ্বহীদ সকলক তেওঁলোকৰ জখম সহ কফন দিয়া (অৰ্থাৎ গোচল নকৰোৱাকৈ) কফন দিয়া কাৰণ মই সিহঁতৰ সাক্ষী থাকিলো। কোনো মুছলমানেই এনেকুৱা নাই, যিজনে আল্লাহৰ বাটত ঘাইল হয় আৰু কিয়ামতৰ দিন তেনেকুৱা উঠোৱা হ'ব, তেওঁলোকৰ শৰীৰত তেজৰ চেঁকা থাকিব। তেওঁলোক সকলোৰে প্ৰিয় হ'ব, তেওঁলোকৰ শৰীৰত কস্তুৰিৰ সুগন্ধি থাকিব। তেওঁলোকৰ গাৰ ৰং জাফৰাণৰ দৰে হ'ব।

হজৰত জাবেৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মোৰ দেউতাকক উহুদৰ দিনা যেতিয়া লৈ অনা হৈছিল তেতিয়া মোৰ পেহীয়েকে কান্দিছিল, মইও কান্দিছিলো। লোকে মোক কান্দিবলৈ বাৰণ কৰিছিল কিন্তু ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল-তোমালোকে তাৰ বাবে কান্দা বা নেকান্দা তাত একো যায় আৰু নাহে, আল্লাহৰ কছম ! ফিৰিস্তা সকলে তাৰ ওপৰত ছাঁ দি ৰাখিছিল, যেতিয়ালৈকে তোমালোকে তাক দফন কৰা নাছিলা। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আল্লাহ তা'লা কৈছে যিজন মুছলমান শ্বহীদ হৈ গৈছে, তোমালোকে তাক মৃত বুলি নক'বা তেওঁ আল্লাহ তা'লাৰ জীৱিত চিপাহী আৰু আল্লাহ তা'লা তাৰ প্ৰতিশোধ নিশ্চয় ল'ব।

উহুদৰ যুদ্ধৰ পিছত আঁহজৰত (ছাঃ)য়ে দুৰ্বল হৈ পৰাৰ কাৰণে বহি বহি নামাজে জহৰ পঢ়াইছিল। তেখেত (ছাঃ)ৰ পিছফালে চাহাবা সকলেও বহি বহি নামাজ আদায় কৰিছিল।

উহুদৰ যুদ্ধত হোৱা শ্বহীদৰ সংখ্যা সম্পৰ্কে উলমা সকলৰ মাজত মতভেদ আছে। কিছুমানৰ মতে সৰ্বমুঠ নিহতৰ সংখ্যা সত্তৰ জন আছিল আকৌ কিছুমানৰ মতে এই সংখ্যা আছিল ৮০ জন আৰু ৯৬ জন। যিয়েই নহওঁক ৪৯ জনৰ পৰা ১০৮ জনলৈ শ্বহীদৰ হিচাপ পোৱা যায়।

উহুদৰ শ্বহীদ সকলৰ জানাজা সম্পৰ্কে বৰ্ণনা পোৱা যায় যে আঁহজৰত (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলৰ জানাজা সেই সময়ছোৱাতে পঢ়োৱা নাছিল। অৰ্থাৎ যুদ্ধ বন্ধ হোৱাৰ লগে লগেই পঢ়োৱা নাছিল। হজৰত ইমাম শ্বাফিয়ে বৰ্ণনা কৰিছে যে ধাৰাবাহিক ৰিৱায়ত সমূহৰ পৰা ভালদৰে অনুমান কৰিব পৰা যায় যে নবী কৰিম (ছাঃ)য়ে উহুদৰ যুদ্ধত শ্বহীদ হোৱা সকলৰ জানাজা পঢ়োৱা নাছিল। যিবোৰ ৰিৱায়তত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে শ্বহীদ সকলৰ জানাজা পঢ়াইছিল, এই বৰ্ণনা বিলাক শুদ্ধ নহয়। উল্লেখ পোৱা যায়

যে আঁহজৰত (ছাঃ)য়ে আঠ বছৰমান পিছত উহুদৰ শ্বহীদ সকলৰ জানাজা পঢ়িছিল। সেই ৰিৱায়তত বৰ্ণিত আছে যে এই ঘটনা বিলাক আঠ বছৰ পিছত ঘটা ঘটনা।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া বিশ্বৰ পৰিস্থিতি সম্পৰ্কে দু এষাৰ ক'বলৈ লৈছো। যুদ্ধৰ বিভিষিকা লাহে লাহে বিস্তাৰ হ'ব ধৰিছে। মানৱৰ ধ্বংসলীলাৰ পৰা সাতসৰিবলৈ বহুত দোৱাৰ প্ৰয়োজন হৈ পৰিছে। গতিকে যদি আহমদী সকলে প্ৰকৃত ভাৱে দোৱা কৰে তেন্তে এই ক্ষেত্ৰত কিবা সলা-বদলা হ'ব পাৰে। ইজাৰইল চৰকাৰে নিজৰ সিদ্ধান্তত অটুট হৈ আছে। সকলো বিষয়তে তেওঁলোকে কোনো নহয় কোনো অভিযোগ টানি আনি প্ৰচাৰ কৰে যে এই কাৰণে আমি এয়া কৰি আছো, সেয়া কৰি আছো। কোনো ধৰণৰ হিতৈষী কথা তেওঁলোকে মানি ল'বলৈ প্ৰস্তুত নহয়। বিশ্বৰ ক্ষমতাশালী দেশবোৰৰ কথা বেলেগ, তেওঁলোকে বচন পঢ়ি থাকে যে যুদ্ধ বন্ধ হোৱাটো উচিত। অত্যাচাৰ বন্ধ হ'ব লাগে, কিন্তু কাৰ্যতে একো নকৰে। ইজৰাইলৰ ৰাষ্ট্ৰ প্ৰধানে আৰু তাৰ চৰকাৰে যিবোৰ ঘোষণা কৰে বিশ্বৰ ডাঙৰ শক্তিবিলাকে তাৰেই সমৰ্থন দিয়ে। আল্লাহ তা'লা মুছলমান সকলৰ ওপৰত ৰহম নাযিল কৰক আৰু তেওঁলোকক খোদা তা'লাৰ ফালে নতশীৰ কৰক। এয়াই একমাত্ৰ পথ, যাৰ আশ্ৰয়ত আহি এওঁলোকে জগতৰ সমস্যা সমাধান কৰিব পাৰিব। আল্লাহ তা'লা তেওঁলোকৰ ওপৰত দয়া কৰক আৰু আমাক দোৱা কৰাৰ তৌফিক দান কৰক আৰু আমাৰ ওপৰত কৃপা বৰ্ষণ কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 16 FEB 2024

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844